بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ বাণীৰ আধাৰত জলছাত যোগদানকাৰী সকললৈ কিছুমান নচিহত।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১ চেপ্তেম্বৰ ২০২৩ চনত মেছী ষ্টেটগাৰ্ট জাৰ্মানৰ জলছা ময়দানত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আলহামদুলিল্লাহ আজি জামাত আহমদীয়া জাৰ্মানিৰ বাৰ্ষিক জলছা বিশাল জন সমাগমত অনুষ্ঠিত হৈ আছে। আল্লাহ তা'লা জলছাৰ যোগদানকাৰী সকলক জলছাৰ মূল উদ্দেশ্য থকা সম্পৰ্কে আমাক বেদনাসিক্ত হৃদয়েৰে কৈছে যে তেখেত (আঃ)ৰ বয়াত গ্ৰহণ কৰোঁতা সকলে যেন এই জলছাৰ জৰিয়তে দ্বীনি জ্ঞান লাভ কৰে আৰু আধ্যাত্মিক ভাৱে উন্নতি লাভ কৰে। আল্লাহ তা'লাৰ সৈতে যেন প্ৰেমৰ সম্পৰ্ক প্ৰগাঢ় হয়। ৰছুলুল্লাহ (ছাঃ)ৰ যেন পূৰ্ণ আনুগত্যকাৰী হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় জাৰ্মানিত জামাত প্ৰতিষ্ঠা হোৱাৰ এই বছৰত আহি এশ বছৰ পূৰ্ণ হৈছে। কিন্তু এই কথাখিনিলৈ আমি আনন্দিত হোৱাৰ আগতে গমি চাব লাগিব যে বিগত এশ বছৰত আমি কিমান খিনি হিফাজত কৰিব পাৰিছো। যদি আমি আমাৰ সন্তান-সন্ততি সকলৰ মাজত পৱিত্ৰ পৰিৱৰ্তন সাধন কৰিবলৈ যৎপৰনাস্তি চেষ্টা কৰিছোঁ তেন্তে এয়াই হ'ল প্ৰকৃত কৃতজ্ঞতা যিটো এতিয়া আমি আদায় কৰা উচিত। এতিয়া মই হজৰত মছীহ মাওউদ (আঃ)ৰ কিছুমান মন্তব্য আপোনালোকৰ আগত দাঙি ধৰিব বিচাৰিছোঁ, আমাক আমাৰ উদ্দেশ্যৰ ফালে পথ দেখুৱাই লৈ যাব। তেখেত (আঃ)য়ে কৈছে এয়া কল্পনা নকৰিবা যে কেৱল বয়াত কৰিলেই খোদা সন্তুষ্ট হৈ পৰিব, এয়া কেৱল এটা বাকলিহে মাত্ৰ, আচল মগজু ইয়াৰ ভিতৰত আছে। গতিকে যিজনে বয়াত আৰু ঈমানৰ দাবী কৰে তেওঁ নিজকে নিজে গমি চোৱা উচিত যে তেওঁ নিজে বাকলি হৈ আছে নে মগজু হ'ব পাৰিছে।

দ্বীনক এই জাগতিকতাৰ ওপৰত প্ৰাধান্য দিয়া মানে কি? এই সম্পৰ্কে বৰ্ণনা কৰোঁতে হজৰত মছীহ

মাওউদ (আঃ) য়ে কৈছে যে মোৰ কেতিয়াও এয়া উদ্দেশ্য নহয় যে মুছলমান সকল এলেহুৱা হৈ পৰক। ইছলামে কাকো এলেহুৱা নবনায়। নিজৰ ব্যৱসায় বাণিজ্য, চাকৰি-বাকৰি আদিত ব্যস্ত থাকক, কিন্তু মই কেৱল এয়া পছন্দ নকৰো যে খোদাৰ কাৰণে কোনো সময় অৱসৰ নাই, ইবাদত কৰাৰ সময় নাই। নামাজৰ সময়ত নামাজ পঢ়িবলৈ এৰি নিদিব। সকলো বিষয়তে দ্বীনক প্ৰাধান্য দিয়ক। দুনিয়াদাৰীক সকলো তৃপ্তিৰ উৎস নবহায় আচল উৎস যেন দ্বীন হয়, তেতিয়া চাব জাগতিক কামবোৰও দ্বীন হৈ পৰিব। কৈছে যে উন্নতিৰ এটাই মাত্ৰ বাট আছে যে খোদা তা'লাক চিনি পাওঁক আৰু তাৰ ওপৰত জীৱন্ত ঈমান স্থাপন কৰক।

দ্বীনক সকলো অৱস্থাত জাগতিকতাৰ ওপৰত প্ৰাধান্য দিয়া সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে আৰু কৈছে যে চোৱা! দুই ধৰণৰ লোক আছে এক ধৰণৰ লোক আছে তেওঁলোকে ইছলাম গ্ৰহণ কৰি জগতৰ কামকাজ ব্যৱসায় বাণিজ্যত ব্যস্ত হৈ পৰে, চয়তানে এওঁলোকৰ মগজুত বাঁহ বনাই লয়। ইয়াতে মই ক'ব বিচৰা নাই যে ব্যৱসায় কৰা মানা আছে, চাহাবা সকলেও ব্যৱসায় কৰিছিল। কিন্তু ধৰ্মৰ ওপৰত তেওঁলোকে বেছি জোৰ দিছিল। তেওঁলোকে ইছলাম গ্ৰহণ কৰি ইছলাম সম্পৰ্কে প্ৰকৃত জ্ঞানও আৰু বিশ্বাসেৰে হৃদয় ভৰপুৰ কৰি লৈছিল যাৰ ফলত তেওঁলোকে কোনো ক্ষেত্ৰতেই চয়তানৰ আক্ৰমণৰ বলি হোৱা নাছিল। আৰু কয় যে মই সেই সকল মানুহৰ ওপৰত অধিক ভৰসা ৰাখো যিসকলে ধৰ্মৰ উন্নতিলৈ নিজৰ আগ্ৰহ হ্ৰাস হ'বলৈ নিদিয়ে। যিসকলে এই আগ্ৰহ কমাই দিয়ে তেওঁলোকলৈ মোৰ ভয় হয় যে কৰবাত তেওঁলোকে চয়তানৰ চিকাৰ হৈ পৰিল নেকি। সেয়ে কেতিয়াও নিজে ধৰ্মৰ ফালে অলস হৈ পৰিব নালাগে।

কৈছে যে অমুছলিম সকলে কেনেকৈ কোৰাণ কৰিম জ্বলাই দিয়াৰ সাহস পালে ? ইয়াৰ উত্তৰ হ'ল আমি সাধাৰণতে কোৰাণ কৰিমৰ শিক্ষাৰ ওপৰত আমল কৰিবলৈ এৰি দিছো, সেয়ে সিহঁতে এনে কাম কৰাৰ সাহস পাইছে। যিয়ে নিজৰ জ্ঞানৰ উন্নতি বিচাৰে তেওঁ ভালদৰে কোৰাণ চৰিফ পঢ়া উচিত। য'ত বুজি নোপোৱা হয় তাতগৈ প্ৰশ্ন কৰি বুজি ল'ব লাগিব। কোৰাণ চৰিফ হ'ল এটা ধৰ্মীয় সমুদ্ৰ যাৰ গভীৰত পৰি আছে অমূল্য ৰত্ন। গতিকে আমি নিজকে নিজে গমি চোৱা উচিত যে আমি কিমান জনে গুৰুত্ব সহকাৰে কোৰাণ চৰিফ পঢ়ো আৰু তাৰ ওপৰত আমল কৰো।

সত্য ধৰ্মৰ মূলমন্ত্ৰ হ'ল খোদা তা'লাৰ ওপৰত ঈমান ৰখা আৰু খোদাৰ ওপৰত ঈমান স্থাপন কৰায় বিচাৰে সঁচা পৰহেজগাৰ হোৱা। খোদাৰ ভয়ত অন্তৰ বিচলিত হোৱা। গতিকে তাকওৱাদাৰক খোদা তা'লায় কেতিয়াও বিফল হ'বলৈ নিদিয়ে। সি আকাশ মাৰ্গৰ পৰা তাক সহায় কৰে আৰু ফিৰিস্তা সকলে তাক সহায় কৰিবলৈ নামি আহে। ইয়াতকৈ আৰু ডাঙৰ কি হ'ব পাৰে যে মুত্তাকীৰ ফালৰ পৰাও অলৌকিকতা প্ৰকাশ পাব পাৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে নামাজে পাপক দূৰ কৰে যিয়ে নিজৰ মাজত এটা সত্য ৰূহ ৰাখে আৰু কল্যাণৰ অভ্যাস তাৰ মাজত বিৰাজিত থাকে। তাৰ নামাজে নিশ্চয় বেয়া, পঙ্কিলতা আদি দূৰ কৰে। নামাজৰ গূঢ়াৰ্থ আৰু আত্মা হ'ল সেই দোৱা যিয়ে এটা তৃপ্তি আৰু শান্তি নিজৰ মাজত ধাৰণ কৰি ৰাখে।

গতিকে আমি আমাক ভালদৰে গমি চোৱা উচিত যে আমি নামাজৰ মাজত এটা নিৰিবিলি শান্তি উপলব্দি কৰিব পাৰিছো নে নাই। নাইবা আমি কেৱল নিজৰ সা-সম্পত্তিৰ ওপৰত ভৰসা কৰি থকা নাই তো ? যদি আমি নামাজৰ হিফাজত কৰোঁতা হ'ব পাৰিছোঁ তেন্তে আমি বয়াতৰ হকও আদায় কৰোঁতা

হৈছো। ইয়াৰ অন্যথা হলে চিন্তাৰ বিষয় আছে। জ্ঞান আৰু মাৰিফতৰ ক্ষেত্ৰত উন্নতি আৰু মুৰশিদ আৰু মুৰিদ সম্পৰ্কে হুজুৰ (আইঃ)য়ে কৈছে মুৰশিদ আৰু মুৰিদৰ সম্পৰ্কে শিক্ষক আৰু ছাত্ৰৰ দৰে বুজি লোৱা উচিত। যেনেকৈ ছাত্ৰই শিক্ষকৰ পৰা লাভ আহৰণ কৰে, জ্ঞান অৰ্জন কৰে ঠিক সেইদৰে মুৰিদে মুৰশিদৰ পৰা জ্ঞান অৰ্জন কৰে। কিন্তু যদি ছাত্ৰই নিজৰ শিক্ষকৰ লগত কেৱল সম্পৰ্ক ৰাখে আৰু নিজৰ শিক্ষাৰ ক্ষেত্ৰত এখোজও আগনাবাঢ়ে তেন্তে তেনে সম্পৰ্ক ৰখাৰ একো লাভ নাই। গতিকে এনেকুৱা অৱস্থা মুৰিদৰ ক্ষেত্ৰতও হয়। সেয়ে এই ছিলছিলাৰ সৈতে সম্পৰ্ক গঢ়ি নিজৰ মাৰিফত আৰু জ্ঞান বঢ়োৱা উচিত। সত্যৰ সন্ধান কৰাটো এঠাইত গৈ বন্ধ কৰি দিয়াটো উচিত নহয় কাৰণ এনেকুৱা কৰিলে চয়তানে লম্ভিৰ আৰু মনৰ গতি বেলেগ ফালে সলাই দিব।

তেখেত (আঃ)য়ে কৈছে যে যদি মোৰ হাতত বয়াত কৰিছে তেন্তে মোক ন্যায় বিচাৰক হিচাপে বিশ্বাস কৰিব লাগিব। এই কথাৰ ওপৰত বিশ্বাস ৰাখিব লাগিব যে যি কথা মই ক'ম সেয়া খোদা তা'লা আৰু ৰছুলে কৰিম (ছাঃ)ৰ শিক্ষা অনুযায়ীহে ক'ম। যিসকলে মোক অবিশ্বাস কৰে আৰু মোৰ ওপৰত অভিযোগ উত্থাপন কৰে তেওঁলোকে মোক চিনি পোৱা নাই আৰু যি সকলে মোক বিশ্বাস কৰিছে কিন্তু তথাপি অভিযোগ লৈ ফুৰে তেওঁলোকে আৰু বেছি দুৰ্ভগীয়া তেওঁলোকে দেখিও অন্ধৰ ভাও জুৰিছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ আগমনৰ উদ্দেশ্য ব্যাখ্যা কৰোঁতে কৈছে যে মোৰ আগমনৰ আচল উদ্দেশ্য হ'ল তৌহিদ, আধ্যাত্মিকতা আৰু সুচৰিত্ৰ বিস্তাৰ কৰা। তৌহিদৰ অৰ্থ হ'ল এয়া যে খোদা তা'লাকেই নিজৰ সৰ্বস্ত প্ৰদত্ত প্ৰদানকাৰী সৰ্বেসৰ্বা উত্তম প্ৰেমিক বুলি বিশ্বাস কৰি লোৱা।

চৰিত্ৰৰ অৰ্থ হ'ল এয়া যে মানৱে যিমানখিনি শক্তি সামৰ্থ্যৰ অধিকাৰী হৈ আহিছে সেয়া নিজৰ পৰিৱেশ পৰিস্থিতি অনুযায়ী সঠিক ভাৱে সঠিক সময়ত যেন খৰচ কৰা হয়। এনেকুৱা যেন নহয় যে ইয়াৰে কিছুমান এনেয়ে পেলনীয়া ভাৱে নষ্ট হৈ যাব দিয়া হয় আৰু কিছুমানৰ ওপৰত বেছি জোৰ দিয়া হয়। ৰূহানিয়তে সুচায় যে এয়া সেই ক্ৰিয়া আৰু চিহ্ন যিয়ে খোদা তা'লাৰ সৈতে সঁচা সম্পৰ্ক গঢ়োতে সক্ৰিয় ভাৱে মানৱ মনক উদ্গনি দিয়ে,শিক্ষা দিয়ে। গতিকে প্ৰত্যেক আহমদীয়ে এই বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন আছে যে নিজৰ হৃদয়ত তৌহিদৰ কিমান খিনি জোৰ আছে, আগ্ৰহ আছে। এনেদৰে আমি যেতিয়া মছজিদ বনাই থাকো তেতিয়া আমি ইয়াক হ'ক আদায় কৰাৰও চিন্তা কৰিব লাগিব। এনেদৰে প্ৰত্যেক আহমদীৰ দ্বাৰা উত্তম চৰিত্ৰ প্ৰকাশ হোৱাৰ নিতান্ত প্ৰয়োজন আছে। এই উত্তম চৰিত্ৰই আমাৰ পয়গাম পৌচাই দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কৈছে যে ৰূহানিয়তাৰ মান তেতিয়া গম পোৱা যায় যেতিয়া হকুকুল্লাহ আৰু হকুকুল ইবাদ আদায়ৰ উচ্চ মান প্ৰতিষ্ঠা হয়।

খোদা তা'লাৰ সৈতে আমাৰ প্ৰগাঢ় সম্পৰ্ক সৃষ্টি হৈছে নে ? কিয় ! আমি নামাজৰ উচ্চ মান স্থাপন কৰিব পাৰিছো নে ? কিয় ! আমি নামাজৰ সময় হলে পাৰ্থিৱ কাম কাজ এৰি গৈ সময়মতে নামাজত উপস্থিত থাকো নে ? নে কেৱল মছজিদ নিৰ্মাণৰ বাবে জোৰ দি থাকো ? কিয় আমি নিয়মিত কোৰাণ কৰিম তিলাওত কৰো নে। কিয় আমি কোৰাণৰ আদেশ নিষেধবোৰ বিচাৰি উলিয়াই তাৰ ওপৰত আমল কৰাৰ চেষ্টা কৰোনে ? আমি আমাৰ ল'ৰা-ছোৱালী বিলাকক দ্বীনৰ সৈতে সংলগ্ন কৰি ৰখাৰ চেষ্টা কৰি আছো নে ? আমি আমাৰ ল'ৰা-ছোৱালীক কেৱল জাগতিক শিক্ষাৰ চিন্তা কৰো, নাকি সিহঁতৰ ধৰ্মীয় শিক্ষাৰ কথাও চিন্তা কৰো ? কিয় আমাৰ উত্তম আচাৰ আচৰণে পাৰস্পাৰিক সম্পৰ্ক গঢ়াত সেই মান ল'ব পাৰিছেনে, যিয়ে ৰুহা মাউ বায়নাহুমৰ দৃশ্য আমাক দেখুৱাব ? আমি বেলেগৰ আগত উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰি তেওঁলোকক

ইছলামৰ আনন্দ সুন্দৰ শিক্ষা সম্পৰ্কে জনাব পাৰিছোনে? গতিকে সৰ্বাগ্ৰে এয়া অনুসন্ধান কৰক যে হকুকুল্লাহ আৰু হকুকুল ইবাদৰ মানদণ্ড আমি কিমান খিনিলৈ উন্নত কৰিব পাৰিছো।

আমি এই দাবীৰে সৈতে জাগিব লাগিব যে আমি বিশ্ববাসীৰ মন জয় কৰিম। আমি বিশ্ববাসীক খোদা তা'লাৰ একেশ্বৰতাত বিশ্বাসী বনাম। বিশ্ববাসীক মহম্মদ (ছাঃ)ৰ পদতলত লৈ আনিম। গতিকে এই বিষয়ে আমি সকলোৰে হৃদয়ত উদ্যম ৰাখি নিজৰ নিজৰ চেষ্টাত ব্ৰতী হ'ব লাগিব; আৰু এটা নতুন মনোবল লৈ নতুন শতাব্দীত প্ৰৱেশ কৰিব লাগিব যে আমি দ্বীনক সকলোৰে ওপৰত প্ৰাধান্য দি আমাৰ উদ্দেশ্য সফল কৰিবলৈ চেষ্টা কৰিম। লগতে আমাৰ সতি-সন্ততি আৰু বংশধৰ সকলকও এই ফালে আগুৱাই লৈ অনাৰ চেষ্টা কৰিব লাগিব আৰু তেওঁলোকক এনেকুৱা তৰবিয়ত কৰিব লাগিব যে খোদা তা'লাৰ সৈতে সম্পৰ্ক গঢ়াৰ চেতনা ভৱিষ্যতলৈ বংশানুক্ৰমিক ভাৱে আগলৈ গতি কৰি থাকে। আল্লাহ্ তা'লা আমাক এই কৰ্তব্য সাধনৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 1 SEP 2023**

# BOOK POST (PRINTED MATTER)

TO,

..................................................................................................................................

..................................................................................................................................

..................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844